**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ।

২। ২২ বছৰৰ মূৰত সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্পত পৰীক্ষামূলকভাৱে বিদ্যুৎ উৎপাদন আৰম্ভ।

৩। ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিত আজি বৃহৎ স্বাস্থ্য মেলাৰ আয়োজন।

৪। আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰকোপ বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত শিৱসাগৰ জিলাত প্ৰশাসনৰ নিষেধাজ্ঞা।

**আৰু**

৫। ছিডনীত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেল আৰম্ভ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিন্নাকান্দি মণ্ডল বিজেপিৰ কাৰ্যালয় আৰু লক্ষীপুৰ মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰিব। ইয়াৰ পাছত ড০ শৰ্মাই লাবক খেলপথাৰত লক্ষীপুৰ বিধানসভা সমষ্টিৰ ১৯ হাজাৰৰো অধিক মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেকসমূহ বিতৰণ কৰিব। এই সন্দৰ্ভত সবিশেষ জনাব আমাৰ সংবাদদাতা আঁসীৰাণী দাসে–

*(বাইট)*

ইপিনে, শিলচৰৰ পুলিচ পেৰেডগ্ৰাউণ্ডত কালি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শিলচৰ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ১৩ হাজাৰ ১৩৯ গৰাকী মহিলাক চেক বিতৰণ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। ইয়াৰ লগতে মুখ্যমন্ত্ৰীয়ে শিলচৰ মেডিকেল কলেজ হাস্পতাল পৰিদৰ্শন কৰি প্ৰস্তাৱিত ২০৮ খন বিচনাযুক্ত ছুপাৰ স্পেছিয়েলিটি চিকিৎসালয়খনৰ আধাৰশিলা স্থাপন কৰে। প্ৰায় ২৪০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া এই অত্যাধুনিক চিকিৎসা কেন্দ্ৰটোৱে বৰাক উপত্যকাৰ স্বাস্থ্য সেৱাৰ মান যথেষ্ট উন্নীত কৰাৰ লগতে উজনি অসম আৰু চুবুৰীয়া ৰাজ্যৰ ৰোগীসকলৰ বাবে বিশেষ চিকিৎসা সেৱা নিশ্চিত কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে মহিলাসকলক সম্বোধন কৰি কয় যে ৰাজ্যৰ ৪০ লাখ মহিলাক লাখপতি বাইদেউ কৰাৰ বাবে চৰকাৰে কাম কৰি আছে। বৰ্তমান যিসকলে ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য লাভ কৰি আছে আৰু ইয়াক সঠিকভাৱে ব্যৱহাৰ কৰিলে তেওঁলোকৰ সাহায্য ভৱিষ্যতে ২৫ হাজাৰ টকাৰ পৰা ৫০ হাজাৰ টকালৈ বৃদ্ধি কৰা হব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ইপিনে শিলচৰৰ ৩ হাজাৰ নতুন হিতাধিকাৰীক অৰুণোদয় আচনিৰ অধীনত অনা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। মহিলা সৱলীকৰণ সন্দৰ্ভত তেওঁ কয় যে যদি পুৰুষে এজনতকৈ অধিক মহিলাৰ সৈতে বিবাহত আৱদ্ধ হয় তেন্তে তেনে ব্যক্তিক ৭ বছৰৰ কাৰাদণ্ড দিয়া হ'ব। অহা বছৰ এই সন্দৰ্ভত এখন বিধেয়ক বিধানসভাত অনা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। ৰাজ্যত মহিলা সংক্ৰান্তীয় অপৰাধ ডেৰ লাখৰ পৰা ৪০ হাজাৰলৈ হ্ৰাস পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মহিলা সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে লাভ

কৰা এয়া এক অন্য সফলতা। মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কেইবাটাও উন্নয়নমূলক আঁচনিৰ কথা উল্লেখ কৰি কয় যে মথুৰাঘাট বৰাক নদীৰ ওপৰত এশ কোটি টকা ব্যয় সাপেক্ষ এখন নতুন দলং নিৰ্মাণ কৰা হ'ব। ডিচেম্বৰৰ ভিতৰত ৬৫০ কোটি টকা ব্যয়েৰে এখন উৰণ সেতু নিৰ্মাণৰ কাম আৰম্ভ হ'ব যাতে যান-জট নিয়ন্ত্ৰণ কৰিব পৰা যায়। ইয়াৰোপৰি দিল্লী, কোলকাতা আৰু চেন্নাইত বৰাক ভৱন নিৰ্মাণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

০০০০০০

বহু জল্পনা-কল্পনা, প্ৰতীক্ষা, বাদ-বিসম্বাদৰ অন্তত কালি সুদীৰ্ঘ ২২ বছৰৰ মূৰত গেৰুকামুখত অৱস্থিত সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত পৰীক্ষামূলকভাৱে ২৫০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰা হয়। নিৰ্মাণকাৰী সংস্থা এন এইচ পি চিৰ মুখ্য পৰিচালন সঞ্চালক ভূপেন্দ্ৰ গুপ্তাই জলবিদ্যুৎ প্ৰকল্পটোৰ মুঠ ৮ টা টাৰ্বাইনৰ কালি ১ নম্বৰ ইউনিটটো মুকলি কৰে। উল্লেখযোগ্য যে ২০০৩ চনৰ পৰা নিৰ্মাণ আৰম্ভ কৰা প্ৰকল্পটোৰ বিৰোধিতাৰে সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতিকে আদি কৰি কুৰিৰো অধিক দল-সংগঠনে প্ৰতিবাদ গঢ়ি তুলিছিল। যাৰফলত এই প্ৰকল্পটোৰ নিৰ্মাণৰ কাম স্থবিৰ হৈ পৰিছিল। ২০১৯ চনত প্ৰকল্পটোৰ পুনৰ নিৰ্মাণকাৰ্য আৰম্ভ হয় আৰু কালি প্ৰথমবাৰলৈ পৰীক্ষামূলকভাৱে ২৫০ মেগাৱাট শক্তি উৎপাদন কৰা হয়। বাকী থকা ৭ টা টানেল চলিত বৰ্ষৰ নৱেম্বৰত মুকলি কৰাৰ বাবে বান্ধ নিৰ্মাণকাৰী সংস্থা- এন এইচ পি চিয়ে লক্ষ্য নিৰ্ধাৰণ কৰিছে। লখিমপুৰ জিলাৰ বহু দল-সংগঠনে বান্ধ সুৰক্ষা সমিতিৰ পৰা অনুমোদন নোপোৱাকৈ এন এইচ পি চিৰ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত বিদ্যুৎ উৎপাদনৰ পৰীক্ষণ কাৰ্যৰ বিৰোধিতা কৰিছে। ইপিনে, নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প অতি বিপদজনক হ'ব বুলি বীৰ লাচিত সেনাইও প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে।

০০০০০০

শুশ্ৰুষা সেঁতুৰ অধীনত বিধানসভা সমষ্টিৰ ভিত্তিত বৃহৎ স্বাস্থ্য শিবিৰ আজি ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত বামুনবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'ব। টিংখাং সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী বিমল বৰাই এই স্বাস্থ্য শিবিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

০০০০০০

শিৱসাগৰ জিলাৰ কোনো কোনো অঞ্চলত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰকোপ বৃদ্ধি পোৱাত জিলা প্ৰশাসনে কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়াৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত জিলাখনৰ ভাৰপ্ৰাপ্ত জিলা দণ্ডাধীশ সমীৰণ বৰাই ছোৱাইন ফিভাৰৰ সংক্ৰমণ ৰোধৰ বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা-২০২৩,ৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কালি কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা অনুসৰি আমগুৰি ৰাজহ চক্ৰৰ অধীনত জীৱিত গাহৰি, গাহৰি মাংসৰে প্ৰস্তুত কৰা সামগ্ৰী আৰু গাহৰি মাংসৰ সৰবৰাহ নিষিদ্ধ কৰা হৈছে। আনহাতে, আমগুৰি ৰাজহ চক্ৰৰ অধীনত গাহৰিৰ মৃত্যুৰ সন্দৰ্ভত যিকোনো বিষয় বা বাতৰি, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ দৃষ্টিগোচৰ কৰাৰ লগতে মৃত গাহৰিৰ দেহটো দকৈ মাটি খান্দি তথা কঠোৰ জৈৱ সুৰক্ষামূলক ব্যৱস্থা অৱলম্বন কৰি পুতি থোৱাটো বাধ্যতামূলক কৰা হৈছে। গাহৰি উৎপাদক তথা গাহৰি পালকসকলক নতুনকৈ কোনো স্থানত যাতে আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ সংক্ৰমণ হ'ব নোৱাৰে, সেইক্ষেত্ৰত কঠোৰ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ জাৰি কৰা হৈছে। এই আদেশ অনুসৰি গাহৰিৰ খাদ্যৰ যিকোনোধৰণৰ পৰিবহণৰ বাবে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ পৰা অনুমতি লোৱাটো বাধ্যতামূলক কৰা হৈছে। পৰৱৰ্তী আদেশ নিদিয়া পৰ্যন্ত এই আদেশ বাহাল থাকিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০০০

ৰাষ্ট্ৰীয় পোষণ মাহৰ লগত সংগতি ৰাখি কালি ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিত মহিলা আৰু শিশু কল্যাণ বিভাগৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় পোষণ মাহ অনুষ্ঠান ভিন্ন ক্ষেত্ৰৰ মানপত্ৰ বিতৰণ কৰা হয়। বিধায়ক তৰংগ গগৈ অনুষ্ঠানত উপস্থিত থাকি মানপত্ৰ বিতৰণ কৰে। যিসকল শিশু আৰু গৰ্ভৱতী মহিলাই পোষণৰ অভাৱত সন্মুখীন হোৱা ৰোগ বা অন্যান্য ব্যাধিৰ পৰা মুক্ত কৰিবলৈ পোষণ কৰ্মীসকলে যি অৱদান আগবঢ়াইছে তাৰ বাবে পোষণ কৰ্মৰ সৈতে জড়িত কৰ্মীক বিধায়কগৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰে আৰু প্ৰতিগৰাকী শিশু আৰু গৰ্ভৱতী মহিলাৰ এনেদৰে সেৱা আগবঢ়াই জীৱন মান উন্নীত কৰিবলৈ আহ্বান জনায়।

০০০০০০

ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূলকৰণ কাৰ্যসূচীৰ অংশ হিচাপে দৰং জিলাত এই নিক্ষয় মিত্ৰ আঁচনিৰ অধীনত কালি ১১১ গৰাকী যক্ষ্মা ৰোগীক পুষ্টিকৰ খাদ্য বিতৰণ কৰা হয়। জিলাখনত শুভাৰম্ভ কৰা এই আঁচনি উপলক্ষে প্ৰত্যোকটো বিধানসভা সমষ্টিতে এনেদৰে পুষ্টিকৰ খাদ্য ৰোগীসকলৰ মাজত বিতৰণ কৰা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। মঙলদৈ বিধানসভা সমষ্টিৰ ৪৬ গৰাকী ৰোগীৰ মাজত খাদ্য বিতৰণ কৰা হয়। একেদৰে ছিপাঝাৰ সমষ্টিৰ ২২ গৰাকী ৰোগীকো পুষ্টিকৰ খাদ্যৰ টোপোলা বিতৰণ কৰা হয়। দলগাঁও বিধানসভা সমষ্টিৰ চিকিৎসাধীন ৪৩ গৰাকী ৰোগীলৈ এই আঁচনিৰ জৰিয়তে খাদ্যৰ টোপোলা বিতৰণ কৰা হয়। উল্লেখযোগ্য যে জিলাখনৰ মুখ ১০২ গৰাকী নিক্ষয় মিত্ৰই ছমাহলৈ ১১১ গৰাকী ৰোগীক এনেদৰে খাদ্যৰ টোপোলা বিতৰণ কৰাৰ দায়িত্ব গ্ৰহণ কৰিছে।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ সোণাপুৰৰ কমাৰকুছিৰ জুবিন ক্ষেত্ৰত কালি নিশা যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰতিকূল বতৰৰ মাজতো নিশা পৰ্যন্ত বহু অনুৰাগীয়ে জুবিন ক্ষেত্ৰলৈ আহি প্ৰাণৰ শিল্পীগৰাকীক শ্ৰদ্ধা নিবেদন কৰে। ইফালে চৰকাৰে জুবিন গাৰ্গৰ সমাধি ক্ষেত্ৰকলৈ জাৰি কৰা নিৰ্দেশনা কালিৰে পৰা প্ৰযোজ্য হৈছে। উল্লেখযোগ্য যে, কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ নিৰ্দেশ অনুসৰি পুৱা ছয় বজাৰ পৰা নিশা ১০ বজালৈহে দৰ্শনাৰ্থীয়ে সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি জনাব পাৰিব। যোৰহাটৰ সাংসদৰ গৌৰৱ গগৈয়ে চৰকাৰৰ এই নিৰ্দেশনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, যে জুবিন গাৰ্গৰ অনুৰাগীয়ে জুবিন ক্ষেত্ৰলৈ আহিবৰ বাবে কোনো নিৰ্দেশা থাকিব নালাগে। ইচ্ছা অনুসাৰে সকলো অনুৰাগীয়ে জুবিন ক্ষেত্ৰলৈ আহিব পৰাকৈ অনুমতি থাকিব লাগে বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে।

***(বাইট ঃ গৌৰৱ গগৈ)***

০০০০০০

১৯৮৫ চনৰ ২৪ মাৰ্চত তেতিয়াৰ মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ৰ পুৰণি প্ৰসূতি কক্ষ এটাক উন্নীত কৰা হৈছিল এটা টেলিভিছনৰ ষ্টুডিঅ'লৈ। এয়াই আছিল গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ আৰম্ভণি। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে টেলিভিছনৰ বাতৰি প্ৰচাৰ আৰম্ভ হৈছিল। বহু ঘটনাৰ সাক্ষী এই গুৱাহাটী দূৰদৰ্শনৰ বাতৰি বিভাগ।

প্ৰমʼ

আজি নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানৰো বিষয় এই গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগ। ইয়াত লগ পাব বাতৰি বিভাগৰ জন্ম লগ্নৰ পৰা জড়িত কেইগৰাকীমান বিষয়া-কৰ্মচাৰী আৰু পৰিৱেশকক। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাংস্কৃতিক শাখা সমিতিৰ উদ্যোগত আৰু নলবাৰী জিলা শাখাৰ সহযোগত আজিৰে পৰা ২৫ সংখ্যক কেন্দ্ৰীয় অংকীয়া নাট সমাৰোহ অনুষ্ঠিত হ'ব। নলবাৰী নগৰৰ সমীপৰ মাজদিয়াত অৱস্থিত জিলা শাখাৰ নামঘৰত ইতিমধ্যে এই নাট সমাৰোহৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই এই নাট সমাৰোহৰ পতাকা উত্তোলন  কাৰ্যসূচীত অংশ ল'ব। সন্ধিয়া পাঁচ বজাত এই নাট সমাৰোহৰ কাৰ্যসূচী শংকৰ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই উদ্বোধন কৰিব।

০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি ছিডনী ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হৈছে। অষ্ট্ৰেলিয়াই টছট জিকি প্ৰথমে বেটিং কৰা সিদ্ধান্ত গ্ৰহণ কৰিছে। যোৱা বৃহস্পতিবাৰে এডিলেইডত ভাৰত দুটা উইকেটত পৰাস্ত হোৱাৰ পাছত ঘৰুৱা দল অষ্ট্ৰেলিয়াই সম্প্ৰতি ২-০ ফলাফলত আগবাঢ়ি আছে।

০০০০০০

গোলাঘাট জিলাৰ খুমটাই বিধানসভা সমষ্টিত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে খুমটাই ক্ৰীড়া উৎসৱ-২০২৫ৰ আয়োজন কৰা হৈছে। খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ নেতৃত্বত বেটীয়নিৰ নৰগাঁও ক্ৰীড়া প্ৰকল্পত গ্ৰামাঞ্চলৰ ক্ৰীড়া ক্ষেত্ৰক উত্তৰণৰ লক্ষ্যৰে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। সাঁতোৰ, বেডমিণ্টন, দবা আৰু মহিলা ফুটবল আদিৰ দৰে ক্ৰীড়া সমূহক এই মহোৎসৱত বিশেষ গুৰুত্ব দিয়া হ'ব বুলি আয়োজকসকলে আমাৰ সংবাদদাতাৰ আগত প্ৰকাশ কৰে।

০০০০০০

কণ্ঠশিল্পী জুবিন গাৰ্গৰ শেষ শয়নস্থলী সোণাপুৰৰ জুবিন ক্ষেত্ৰক লৈ চৰকাৰে বান্ধি দিয়া এছ অ পিক কেন্দ্ৰ কৰি জুবিন অনুৰাগীৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যোৱা নিশা ১০ বজাৰ পিছতো জুবিন ক্ষেত্ৰত অগণন লোকে ভিৰ কৰা পৰিলক্ষিত হৈছে। **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰি এছ অ পিক নস্যাত জনতাৰ শিৰোনামেৰে প্ৰকাশ কৰিছে। অনুৰাগীৰ প্ৰতিক্ৰিয়াৰ পাছতে জুবিনক্ষেত্ৰত প্ৰৱেশৰ সময়সীমা এঘণ্টা বৃদ্ধি কৰাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাৰে ছিংগাপুৰলৈ যোৱা এছ আই টিৰ মুৰববী মুন্না প্ৰসাদ গুপ্তাই কালি সংবাদমেলযোগে কয়, যে জুবিন গাৰ্গ থকা ছিংগাপুৰৰ হোটেলৰ চি চি টিভি ফুটেজৰ বাবে এছ আই টিয়ে অপেক্ষা কৰিছে। **দ্য টাইমছ অব ইণ্ডিয়া** কাকতে এই বাতৰিক শীৰ্ষস্থান দিছে।  ছিংগাপুৰৰ পৰা প্ৰয়োজনীয় সকলো তথ্য পাবলৈ ১০ দিনমান সময়ৰ প্ৰয়োজন হব বুলিও এছ আই টিৰ মুৰববীগৰাকীয়ে উল্লেখ কৰাৰ বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে। একেটা বাতৰিৰে **আমাৰ অসম** কাকতৰ শিৰোনাম- ছিংগাপুৰ পুলিচৰ আশ্বাসেই এতিয়া এছ আই চিৰ ভৰষা।

**দ্য ছেণ্টিনেল** কাকতে জুবিন গাৰ্গৰ দেহৰক্ষী পৰেশ বৈশ্যৰ বংশৰৰ বাসগৃহত এছ আই টিসহ মুখ্যমন্ত্ৰীৰ দুনীৰ্তি নিবাৰক শাখা আৰু নন্দেশ্বৰ বৰাৰ নগাৰৰ বাসগৃহত মুখ্যমন্ত্ৰী তদাৰকী শাখাই অভিযান চলোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

অন্ধ্ৰপ্ৰদেশত বাইক আৰু বাছৰ মুখামুখি সংঘৰ্ষত বাছখনত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটি ২৫ গৰাকী যাত্ৰীৰ মৃত্যু হোৱাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠা স্থান দিছে।

চলিত মাহৰ পৰাই অসম, পশ্চিমবংগ, তামিলনাডু, কেৰেলা আৰু পুডুচেৰীত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ চলাৰ সম্ভাৱনা আছে। এয়া **দৈনিক অসম** কাকতৰ বাতৰি।

প্ৰবীণ সাংবাদিক বৈকুণ্ঠ নাথ গোস্বামীৰ দেহাৱসানৰ বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত